# অসম চৰকাৰ

## চক্ৰ বিষয়াৰ কাৰ্য্যালয়..........................................নাহৰকটীয়া ৰাজহ চক্ৰ

নং. এনআৰচি২১৫/চি.কিউ.আৰ.টি/২০২৩/৭৮৩৫ তাৰিখ-০১/০২/২০২৩

# জাননী

ইয়াৰ দ্বাৰাই নাহৰকটীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত স্থায়ীভাৱে বসবাস কৰা স্থানীয় লোকসকলক জনোৱা যায় যে,জিলা দূযোৰ্গ ব্যৱস্হাপনা প্ৰাধিকৰন, ডিব্ৰুগড় চিঠি নং ডি.আৰ.এফ/৩১/২০২১/৬৯ তাৰিখ ১৯/০১/২০২৩ ৰ আদেশমৰ্মে, অসম চৰকাৰে চক্ৰ ততকালিন সঁহাৰি দল (Circle Quick Response Team ,CQRT) গঠনৰ বাবে নাহৰকটীয়া ৰাজহ চক্ৰক মনোনীত কৰিছে । এই সন্দৰ্ভত ইচ্ছুক ব্যক্তিসকলৰ পৰা আবেদন বিচৰা হ'ল ।আবেদনকাৰীয়ে প্ৰয়োজনীয় নথিপত্ৰ আৰু **তিনি কপি পাচপৰ্ট ফটো** লগতে **Form-A** (সংলগ্ন)ত আবেদন কৰিব লাগিব।

**চক্ৰ ততকালিন সঁহাৰি দল Circle Quick Response Team (CQRT)ৰ বাবে সৰ্বাধিক ৮ জন সদস্য নিৰ্বাচিত কৰা হব।**

<u>যোগ্যতা/নিয়মাৱলী:</u>

১) আবেদনকাৰী নাহৰকটীয়া ৰাজহ চক্ৰ অন্তৰ্গত এলেকাত স্থায়ীভাৱে বসবাস কৰা লোক হব লাগিব ।

২) আবেদনকাৰী নূন্যতম বয়স ১৮ বছৰ আৰু ৫৫ বছৰৰ তলৰ হব লাগিব ।

৩) শিক্ষাগত অৰ্হতা অতি কমেও ৪ৰ্থ শ্ৰেণী উত্তীৰ্ণ হব লাগিব ।

৪) আবেদনকাৰী শাৰিৰীক/ বিশেষভাৱে সক্ষম লোক হব নালাগিব ।

৫) আবেদনকাৰীৰ সাঁতোৰৰ জ্ঞান থাকিব লাগিব।

৬) পুৰুষ/মহিলা/তৃতীয় লিঙ্গই আবেদন কৰিব পাৰিব।

৭) খেল-ধেমালী/এন.চি.চি./এন.এচ.এচ. আদিৰ প্ৰমাণ পত্ৰ থকা আবেদনকাৰীক অগ্ৰাধিকাৰ দিয়া হব।

৮) আপদা মিত্ৰ /প্ৰতিৰোধী বন্ধু/ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱকে অগ্ৰাধিকাৰ পাব।

৯) ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱক দল আৰু দেশৰ সশস্ত্ৰ সেনানীৰ সদস্য, প্ৰাক্তন সেৱাকৰ্মী (Ex-Serviceman) ক বিশেষ অৰ্হতা হিচাবে গন্য কৰা হব ।

১০)আবেদনকাৰী প্ৰাকৃতিক দূৰ্যোগ ব্যৱস্হাপনা সন্দৰ্ভত আগ্ৰহ থকা হব লাগিব আৰু তেওঁ জনহিতকৰ হকে কাম কৰিবলৈ প্ৰস্তুত তথা ইচ্ছুক ব্যক্তি হব লাগিব ।

১১)কৰ্মৰ ওপৰত ভিত্তি কৰি উদ্‌গনিমূলক ভাট্টা(incentive)প্ৰদান কৰা হব। এই আচনি খনে কোনো স্থায়ী চাকৰি প্ৰদান নকৰে,বাচনিভুক্ত সদস্যসকলে কোনো মাহিলী পাৰিতোষিকৰ বাবে যোগ্য নহব।

১২)আবেদনপত্ৰ **১৬/০২/২০২৩** তাৰিখৰ **৪ বজাৰ** ভিতৰত নাহৰকটীয়া ৰাজহ চক্ৰৰ কাৰ্যালয়ত জমা দিব লাগিব। উক্ত তাৰিখৰ পাছত কোনো আবেদন গ্ৰহন কৰা নহব।

১৩)নিৰ্বাচিত আবেদনকাৰীৰ তালিকা ১৮-০২-২০২৩ তাৰিখে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ জাননীফলকত প্ৰকাশ কৰা হব।

১৪)আবেদনকাৰী লিখিত/মৌখিক আৰু শাৰীৰিক পৰীক্ষাত অৱতীৰ্ন হব লাগিব।লিখিত/মৌখিক পৰীক্ষা ২০-০২-২০২৩ তাৰিখে অনুস্হিত হব। পৰীক্ষাৰ স্হান আৰু সময় চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ জাননীফলকত ১৮-০২-২০২৩ তাৰিখে নিৰ্বাচিত আবেদনকাৰীৰ তালিকাৰ লগত প্ৰকাশ কৰা হ'ব।

Sd/-
**চক্ৰ বিষয়া**
**নাহৰকটীয়া ৰাজহ চক্ৰ**

স্মাৰক নং.নং. এনআৰচি২১৫/চি.কিউ.আৰ.টি/২০২৩/৭৮৩৫ তাৰিখ-০১/০২/২০২৩

ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰা হ'ল -

১) উপায়ুক্ত, ডিব্ৰুগড়, মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল ।

২) অতিৰিক্ত উপায়ুক্ত (চি.ই.অ, ডি.ডি.এম.এ.),ডিব্ৰুগড়, মহোদয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল ।

৩) খণ্ড উন্নয়ন বিষয়া, জয়পুৰ, আপোনাৰ অন্তৰ্গত উন্নয়ন খণ্ডৰ পঞ্চায়ত কাৰ্যালয়ৰ জাননী ফলক সমূহত এই জাননীৰ প্ৰচাৰৰ বাবে অনুৰোধ কৰা হ'ল ।

৪) জিলাতথ্য আৰু জনসংযোগ বিষয়া, ডিব্ৰুগড় । ইয়াৰ দ্বাৰা আপোনাক বিভিন্ন সামাজিক মাধ্যমত (Social Media) বহুল প্ৰচাৰৰ বাবে জনোৱা হ'ল ।

৫) জিলাতথ্যবিষয়া,(এন. আই. চি.)ডিব্ৰুগড়, জিলা ৱেবচাইটত প্ৰচাৰ কৰিবৰ বাবে জনোৱা হ'ল।

৬) গাঁওপ্ৰধান, নাহৰকটীয়া ৰাজহ চক্ৰ , আপোনাৰ সংশ্লিষ্ট গাঁওসমূহত এই জাননীৰ বহুল প্ৰচাৰৰ বাবে কোৱা হল ।

৭) কাৰ্যালয় কপি ।

**চক্ৰ বিষয়া**
**নাহৰকটীয়া ৰাজহ চক্ৰ।**